# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

Date : 09-09-2025 **Time :** 0755Hrs.

সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু ডিব্ৰুগড় জিলা প্ৰশাসনৰ সহযোগত সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ উদ্বোধনী অনুষ্ঠান কালি ডিব্ৰুগড় জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। সাংস্কৃতিক উন্নয়ন বিষয়া সুদৰ্শন বৰাই আদৰণি ভাষণেৰে আৰম্ভ কৰা এই অনুষ্ঠানত অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, জ্যোতি চিত্ৰবনৰ উপাধ্যক্ষ সুনীল ৰাজকোঁৱৰ, জিলা আয়ুক্ত বিক্ৰম কৈৰী, অতিৰিক্ত জিলা আয়ুক্ত চুলতানা আখটাৰ আহমেদ প্ৰমুখ্যে ভালেসংখ্যক লোক উপস্থিত থাকে। অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা আসনৰ অৱসৰপ্ৰাপ্ত প্ৰাধ্যাপক, কবি, সাহিত্যিক ড০ কৰবী ডেকা হাজৰিকা মুখ্য বক্তা হিচাপে উপস্থিত থাকে।

ইপিনে, ড০ ভূপেন হাজৰিকাৰ জয়ন্তী উপলক্ষে কালি নাহৰকটীয়া বিধানসভা সমষ্টিৰ ৰূপালী ৰঙালী মঞ্চত অনুষ্ঠিত কাৰ্যসূচীত বিধায়ক তৰংগ গগৈয়ে শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অনুষ্ঠানত স্থানীয় শিল্পীসকলে ভূপেন হাজৰিকাৰ গীত-মাত, নৃত্য পৰিৱেশন কৰে। বিধায়ক গগৈয়ে নিজৰ ভাষণত কয়, যে ভূপেন হাজৰিকাই অসমৰ সাংস্কৃতিক জগতখনক চহকী কৰাৰ লগতে বিশ্বৰ স্তৰলৈ লৈ গৈছিল। শিল্পীগৰাকীৰ অনবদ্য অৱদানৰ কথা অসমবাসীয়ে সদায় মনত ৰাখিব বুলিও বিধায়কগৰাকীয়ে মন্তব্য কৰে।

খোৱাং সমজিলা আয়ুক্তৰ কাৰ্যলয় আৰু ডিব্ৰুগড় জিলা গৃহৰক্ষী বাহিনীৰ কাৰ্যালয়তো কালি সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ জয়ন্তী  বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা হয়।

০০০০০০০

ডিব্ৰুগড় জিলাৰ নাহৰকটীয়াত কালি অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ প্ৰস্তুতিৰ বাবে বিধায়ক তৰংগ গগৈয়ে নাহৰকটীয়া সমষ্টিৰ অন্তৰ্গত নাহৰকটীয়া পৌৰসভাৰ ৱাৰ্ড সদস্য, পঞ্চায়ত প্ৰতিনিধি আৰু অৰুণোদয় বাচনি সমিতিৰ তিনিজনীয়া সদস্যৰ সৈতে এখন বৈঠকত অংশগ্ৰহণ কৰে। এই বৈঠকত যোগ্য বিবেচিত প্ৰতিগৰাকী লোকে যাতে অৰুণোদয় লাভ কৰে, তাৰ বাবে সংশ্লিষ্ট সকলোকে নিজ দায়িত্ব পালন কৰিবলৈ বিধায়কগৰাকীয়ে আহ্বান জনায়।

০০০০০০০

ৰাজ্যৰ শিক্ষা বিভাগে নতুন শিক্ষা নীতিৰ অধীনত মৰিগাঁও জিলাৰ তিৱা বসতি প্ৰধান অঞ্চলৰ ৬২ খন নিম্ন প্ৰাথমিক বিদ্যালয়ত তিৱা ভাষাত পাঠদান আৰম্ভ কৰিছে। এই উপলক্ষে ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ উদ্যোগত কালি মৰিগাওঁ জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানত ৪ দিনীয়া তিৱা ভাষা প্ৰশিক্ষণ শিবিৰ আৰম্ভ হয়। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এই প্ৰশিক্ষণ শিবিৰ আনুষ্ঠানিকভাৱে মুকলি কৰে। ভাষণ প্ৰসংগত মন্ত্ৰী ডাঃ পেগুৱে ভাষা সংৰক্ষণ তথা মাতৃভাষাৰ জৰিয়তে শিক্ষাৰ বিকাশৰ ক্ষেত্ৰত এনে প্ৰয়াসে নতুন দিশৰ উন্মোচন কৰিব বুলি মন্তব্য কৰে। অনুষ্ঠানত জিলা আয়ুক্ত অনামিকা তিৱাৰী, তিৱা স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া জীৱন চন্দ্ৰ কোঁৱৰকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০০

শোণিতপুৰ জিলা কৃষি বিভাগৰ উদ্যোগত তেজপুৰ মাজগাঁওস্থিত যুটীয়া কৃষি সঞ্চালকৰ কাৰ্যালয়ত কালি কৃষক, কৃষি বিজ্ঞানী আৰু অন্যান্য বিভাগসমূহৰ প্ৰতিনিধিৰ মাজত মত বিনিময় অনুষ্ঠানৰ আয়োজন কৰা হয়। কৃষকসকলক কৃষিৰ ওপৰত পশুপালন, মীন পালন আদিৰ জৰিয়তে স্বাৱলম্বী কৰাৰ বাবে এই অনুষ্ঠানৰ আয়োজন কৰা হয়। কৃষকসকলে ধানখেতিৰ লগতে উদ্যানশস্যৰ বিভিন্ন খেতিৰ জৰিয়তে সেউজ বিপ্লৱৰ সূচনা কৰিবলৈ কিদৰে মাটিৰ গুণাগুণ নিৰূপণ কৰি সাৰ, কীটনাশক আদি প্ৰয়োগ কৰিব লাগিব, সেই বিষয়ে কৃষি বিশেষজ্ঞসকলে পৰামৰ্শ দিয়ে। তদুপৰি বিজ্ঞানসন্মতভাৱে ছাগলী পালন, গাহৰি পালন আদিৰ জৰিয়তে স্বাৱলম্বী হ'বলৈও তেওঁলোকে পৰামৰ্শ দিয়ে।

০০০০০০০

লখিমপুৰ জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ জিলা সৈনিক কল্যাণ বিভাগত কালি ৰাষ্ট্ৰীয় আইনী সেৱা প্ৰাধিকৰণ বীৰ পৰিবাৰ সহায়ক যোজনা, ২০২৫-ৰ অধীনত আইনী সেৱা কেন্দ্ৰ মুকলি কৰা হয়। জিলা আইন সেৱা প্ৰাধিকৰণৰ অধ্যক্ষ তথা জিলা ছেচন ন্যায়াধীশ  পলি কটকীয়ে এই কেন্দ্ৰটো মুকলি কৰি ইয়াৰ ফলত প্ৰাক্তন সেনা তথা দেশৰ বাবে প্ৰাণ আহুতি দিয়া বীৰ সৈনিকসকলৰ পৰিয়ালবৰ্গক বিনামূলীয়া আইনী সেৱা প্ৰদান কৰা হ'ব বুলি প্ৰকাশ কৰে।

০০০০০০০

বৈষ্ণৱ সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ মাজুলী জিলাৰ প্ৰতিষ্ঠা দিৱস কালি উদযাপন কৰা হয়। ২০১৬ চনৰ কালিৰ দিনটোতে মাজুলীক  জিলা হিচাপে স্বীকৃতি দিয়া হৈছিল। জিলা দিৱস উপলক্ষে গড়মূৰ খোনাচুকৰ মাধৱদেৱ কৃষ্টি সংঘত কেন্দ্ৰীয়ভাৱে বৰ্ণাঢ্য কাৰ্যসূচী অনুষ্ঠিত হয়। জিলা দিৱস উপলক্ষে জিলা আয়ুক্তৰ কাৰ্যালয়ৰ কৰ্মচাৰীসকলৰ উদ্যোগত আৰু বিভিন্ন বিভাগৰ কৰ্মচাৰীৰ সহযোগত যোৱানিশা এখন ভাওনা প্ৰদৰ্শন কৰা হয়।

০০০০

আকাশবাণী গুৱাহাটীৰ প্ৰাক্তন বাতৰি পঢ়োঁতা গোলাপ শইকীয়াৰ পঞ্চম মৃত্যু বাৰ্ষিকী উপলক্ষে অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অসমীয়াত অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ইচ্ছুক প্ৰতিযোগীয়ে সাম্প্ৰতিক ঘটনাৱলী সম্পৰ্কীয় ১ মিনিটৰ বাতৰিৰ অ'ডিঅ' মোবাইল ফোন অথবা অডিঅ' ৰেকৰ্ডাৰত ৰেকৰ্ড কৰি ২৪ ছেপ্তেম্বৰৰ পূৰ্বে এম-পি থ্ৰী ৰূপত হোৱাট্‌ছএপযোগে পঠিয়াব লাগিব। হোৱাট্‌ছএপ নম্বৰকে ধৰি প্ৰতিযোগিতাৰ সবিশেষ জানিবলৈ ইচ্ছুক প্ৰতিযোগীয়ে আমাৰ ফেচবুক পেজ এ আই আৰ নিউজ গুৱাহাটী চাব পাৰে।

০০০০

**সমাপ্ত**